আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JANUARY 1, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ৭ Guwahati, Assam ।। মূল্যঃ এটকা

# জাপানত বছৰৰ প্ৰথমটো দিনতে প্ৰলয়ংকৰী ভূমিকম্প

## ছুনামিৰ আশংকা, ৩২,৫০০টা পৰিয়াল বিদ্যুৎহীন

**টকিঅ’, ১ জানুৱাৰীঃ** জাপানৰ বিভিন্ন প্ৰান্ত ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগত কবলত পৰিছে। সোমবাৰে মধ্য জাপানৰ কেন্দ্ৰীয় অংশক ৭.৬ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যোৱাৰ পাছতে চুনামিৰ আশংকাত হাই এলাৰ্ট জাৰি কৰা হৈছিল। হাই এলাৰ্ট জাৰি কৰাৰ পাছতে ছুনামিৰ কবলত পৰে জাপান। ছুনামিৰ সতৰ্কবাণী জাৰি কৰি আৱাসীসকলক স্থানান্তৰিত হ’বৰ বাবে সাজু হৈ থকাৰ জাননী জাৰি কৰাৰ পাছতে ছুনামিয়ে আঘাত কৰে কেইবাটাও প্ৰান্তক। জাপানৰ উপকূলীয় ■ শেষাংশ ৩নং পৃষ্ঠাত

## আকৌ জ্বলিছে মণিপুৰ, ৪ জন নিহত



■ সবিশেষ বাতৰি ৬নং পৃষ্ঠাত

# বিত্তীয় সংকট মোচনৰ বাবেই আলফাৰে চুক্তি হিমন্তৰ!

## ঋণৰ হাৰ ১৮৮ শতাংশ, বিনিয়োগ মাত্ৰ ০.৭ শতাংশ




**ষ্টাফ ৰিপ’ৰ্টাৰ, ১ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিকশিত অসমৰ লক্ষ্যৰে নতুন নতুন আঁচনি ঘোষণা কৰিছে যদিও ৰাজ্যখনৰ বিত্তীয় অৱস্থা অতি দুখলগাকৈ শোচনীয় হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে পুঁজি মুকলি কৰি নিদিলে বাজেটত নিৰ্ধাৰণ কৰা আঁচনিসমূহ বৰ্তমান চৰকাৰে ৰূপায়ণ কৰাতো দূৰৰে কথা, কৰ্মচাৰীক দৰমহা আৰু পেঞ্চন মোকলাই দিবলৈকো অসুবিধা হ’ব। বাজেটৰ বৰ্তমানলৈকে ৫৪ শতাংশ ধনেই ব্যয় কৰিব পৰা নাই।

■ শেষাংশ ২নং পৃষ্ঠাত

## ১৭ জানুৱাৰীত অসমলৈ আহিব ৰাহুল গান্ধী



**ষ্টাফ ৰিপ’ৰ্টাৰ, ১ জানুৱাৰীঃ** ভাৰত জোড়ো যাত্ৰাৰ পিছত এইবাৰ কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে ভাৰত ন্যায় যাত্ৰা আৰম্ভ কৰিব। মূলতঃ জনগণক বিজেপিৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে জাগ্ৰত কৰিবলৈ এই যাত্ৰা ■ শেষাংশ ২নং পৃষ্ঠাত

## চীন, পাকিস্তান, ইৰাণকো অতিক্ৰম

# 'ইণ্টাৰনেট নিষেধাজ্ঞা’! শীৰ্ষত ভাৰত




**নতুন দিল্লী, ১ জানুৱাৰীঃ** বিদায়ী ২০২৩ বৰ্ষটো দেশৰ দুখন ৰাজ্যৰ বাবে মুঠেই ভাল নাছিল। এই ৰাজ্য দুখন হৈছে মণিপুৰ আৰু জম্মু-কাশ্মীৰ। মানুহৰ জীৱন সম্পত্তি হেৰুওৱাৰ লগতে এই দুখন ৰাজ্যত মানুহে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অভাৱত দিন পাৰ কৰিবলগীয়া হৈছিল। আনহে নালাগে ইণ্টাৰনেট সেৱা মাহৰ পাছত মাহ ধৰি বন্ধ কৰি ৰখা হৈছিল। তথ্য অনুযায়ী ২০১৪ চনত নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী ■ শেষাংশ ৪নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিত্তীয় সংকট মোচনৰ বাবেই

ৰাজ্যখনত বিত্তীয় প্ৰতিষ্ঠানসমূহে বিশেষকৈ বেংকসমূহৰ বিনিয়োগ দেশৰ ভিতৰতে নিম্নগামী। ৰিজাৰ্ভ বেংকৰ শেহতীয়া তথ্য অনুযায়ী ২০২২-২৩ বৰ্ষলৈকে সমগ্ৰ দেশত ৫৭৪টা নতুন প্ৰকল্পৰ বাবে বেংকসমূহে পুঁজিৰ অনুমোদন জনাইছিল আৰু হাস্যকৰ কথাটো হ'ল অসমৰ মাত্ৰ ৬টা প্ৰকল্পইহে এই অনুমোদন লাভ কৰিছিল। অৰ্থাৎ বিগত সময়ছোৱাত অসমত বিনিয়োগৰ হাৰ মাত্ৰ ০.৭ শতাংশ। অসমৰ ৬টা প্ৰকল্পৰ বিপৰীতে গুজৰাটত ৮২ টা, উত্তৰ প্ৰদেশত ৪৫টা, মহাৰাষ্ট্ৰত ৪৮ টা প্ৰকল্পত বেংকে ধন মোকলাই দিছে। ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি বেংকে মোকলাই দিয়া বিনিয়োগৰ পৰিমাণ ২,৬৬৫৭৪ কোটি টকা। ইফালে, ৰাজ্যখনত জিডিপি অৰ্থাৎ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰতো মান অতি নিম্নগামী হৈ পৰিছে। ২০২১ চনৰ নিৰ্বাচনী ভাষণত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেশৰ ৫খন উন্নত ৰাজ্যৰ তালিকাত অসমক অন্তৰ্ভুক্ত কৰিব বুলি ঘোষণা কৰিছিল যদিও বৰ্তমান সময়ত ৰাজ্যখনৰ ঘৰুৱা উৎপাদন দেশৰ আন ৰাজ্যতকৈ ১৭ টা স্থান পিছপৰি আছে। ২০২২-২৩ বৰ্ষত অসমৰ জিডিপি ৪,৩৮,০৯৬ লাখ কোটি। ইয়াৰ বিপৰীতে প্ৰথম স্থানত থকা মহাৰাষ্ট্ৰৰ স্থান ৩৫.৩৭ লাখ কোটি, গুজৰাটত ২৫.৬৩ লাখ কোটি। ষষ্ঠ স্থানত থকা পশ্চিমবংগৰ জিডিপি ১৭.১৯ লাখ কোটি। ৰাজ্যখনৰ ৰাজহ সংগ্ৰহৰ পৰিমাণো অতি পিছপৰা। কৰ্ণাটকৰ ৭৮ শতাংশ, তামিলনাডুৰ ৭৪ শতাংশ, মহাৰাষ্ট্ৰ ৭২ শতাংশ, পঞ্জাবৰ ৬০ শতাংশ, ৰাজস্থানৰ ৫৯ আৰু পশ্চিমবংগৰ ৪৫ শতাংশ হোৱাৰ বিপৰীতে অসমৰ ৰাজহ সংগ্ৰহৰ হাৰ হৈছে মাত্ৰ ২৭ শতাংশ। ২০১৭-১৮ বৰ্ষৰ পৰা ২০২৩-২৪ বৰ্ষলৈকে ঋণ লোৱাৰ ক্ষেত্ৰত অসমে অভিলেখ গঢ়িছে। অন্ধ্ৰপ্ৰদেশে ৯২ শতাংশ ঋণ লোৱাৰ বিপৰীতে গুজৰাটে ৫৭.৯৪, মহাৰাষ্ট্ৰই ৫৭.৩২, উত্তৰ প্ৰদেশে ৩৭.২২, পঞ্জাবে ৫৬.২৭ শতাংশ ঋণ লোৱাৰ বিপৰীতে অসমে লোৱা ঋণৰ হাৰ হৈছে ১৮৮.৩৪ শতাংশ। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ধাৰৰ বোজাত অসম পোত গৈ আছে। শেহতীয়াকৈ জোৰা-টাপলি মাৰিবৰ বাবেই চৰকাৰে মাহত ৩-৪ হাজাৰ কোটি টকাকৈ ঋণ ল'বলৈ বাধ্য হৈছে। পঞ্চদশ বিত্তীয় আয়োগৰ পৰা ৰাজ্য চৰকাৰে যি অনুদান পাবলগীয়া আছে সেই অনুদান যদি কেন্দ্ৰীয় চৰকাৰে মোকলাই নিদিয়ে তেতিয়াহ'লে অসমৰ ৰাজ্যিক কৰ্মচাৰীক চৰকাৰে দৰমহা দিয়াতো কঠিন হৈ পৰিব। অৱশ্যে বছৰটোৰ শেষৰফাললৈ পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ লগতে ৰাজ্যখনে লাভ কৰিবলগীয়া কেন্দ্ৰীয় কৰৰ এটা অংশ কেন্দ্ৰ চৰকাৰে অসমক মোকলাই দিয়াৰ আশা আছে। ইয়াৰোপৰি কেন্দ্ৰীয় সাহায্যৰ এটা অংশও অসম চৰকাৰে জানুৱাৰীৰ শেষৰফালে অনুমোদন লাভ কৰিব পাৰে। আলফা নেতৃত্বৰে হোৱা বুজাবুজিৰ চুক্তিৰ অন্যতম লক্ষ্যই আছিল কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পাবলগীয়া পুঁজি মুকলি কৰা। ৰাজনীতি আৰু অৰ্থনীতি দুয়োফালে তাল মিলাই চলিব জনা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আলফাৰ চুক্তিৰ নামত এক গুলীত দুই চিকাৰ কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন মুকলি কৰাৰ এক ব্যৱস্থা কৰি লৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুদান অবিহনে অসমৰ বিত্তীয় পৰিচালনা ইমানেই শোচনীয় যে শেহতীয়াকৈ মন্ত্ৰী আৰু বিষয়াসকলে নিজাববীয়াকৈ কেতবোৰ ব্যয় সংকোচন নীতি গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰিছে। উল্লেখ্য যে লোকসভাত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দাঙি ধৰা তথ্য অনুযায়ী ২০২১ চনৰ মাৰ্চ মাহলৈকে অসম চৰকাৰৰ ধাৰ আছিল ৮৯ হাজাৰ ৭০৯ কোটি টকা। ২০২৩ চনৰ মাৰ্চলৈ ধাৰ বাঢ়ি সেয়া হয়গৈ ১ লাখ ২১ হাজাৰ ২৬৭ কোটি। অৰ্থাৎ দুবছৰত হিমন্ত চৰকাৰে ঋণ লৈছিল ৩১ হাজাৰ কোটিতকৈয়ো অধিক টকা। ২০২৪ চনৰ মাৰ্চলৈকে এই ধাৰ ১ লাখ ৫০ হাজাৰ কোটি টকাতকৈয়ো অধিক হ'ব বুলি আশংকা কৰা হৈছে।

# ১৭ জানুৱাৰীত

আৰম্ভ হ'ব আৰু ১৭ জানুৱাৰীত ৰাহুল গান্ধী অসমলৈ আহিব। শেহতীয়াকৈ লোকসভা আৰু ৰাজ্যসভাত ভাৰতৰ নিৰ্বাচন আয়োগৰ আয়ুক্ত নিযুক্তিৰ ক্ষেত্ৰত যি সিদ্ধান্ত গ্ৰহণ কৰি আইন প্ৰস্তুত কৰা হ'ল সেই আইনে সামগ্ৰিকভাৱে দেশৰ গণতন্ত্ৰৰ প্ৰতি এক ভাবুকি আনিব বুলি কংগ্ৰেছে আশংকা প্ৰকাশ কৰি ইয়াৰ বিৰুদ্ধেও ৰাহুল গান্ধীয়ে জনতাক সজাগ কৰিব বুলি কংগ্ৰেছৰ শীৰ্ষ সূত্ৰই জানিবলৈ দিছে। এইবাৰ পদযাত্ৰাৰ পৰিৱৰ্তে বাছেৰে আহি ৰাইজক সাক্ষাৎ কৰিব ৰাহুল গান্ধীয়ে। মণিপুৰ, নাগালেণ্ডৰ পৰা অসমৰ সোণাৰি অথবা আমগুৰি সমষ্টিৰ মাজেৰে উজনি অসমৰ পৰা কাজিৰঙা হৈ মাজুলীলৈ যোৱাৰ কথা ৰাহুল গান্ধীৰ। পৰৱৰ্তী সময়ত পুনৰ নগাঁও হৈ শোণিতপুৰ জিলা আৰু অৰুণাচল সীমান্তলৈ গৈ পশ্চিংবংগ হৈ অন্য ৰাজ্যলৈ যাব। এই সময়ছোৱাত গুৱাহাটীতো কেবাখনো জনসভাত অংশগ্ৰহণ কৰিব ৰাহুল গান্ধীয়ে। অসম প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বক ইতিমধ্যে ৰাহুল গান্ধীৰ এই ভাৰত ন্যায় যাত্ৰা চূড়ান্ত ৰূপ দিবলৈ নতুন দিল্লীলৈ মাতি পঠিয়াইছে। প্ৰদেশ কংগ্ৰেছৰ সূত্ৰটোৱে জনোৱা মতে ৰাহুল গান্ধীৰ এই ভাৰত ন্যায় যাত্ৰা অসমত প্ৰায় ৭ দিন ধৰি চলিব।

# ১১০ তম জন্ম দিনত জননেতা শৰৎ চন্দ্ৰ সিংহক স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জানুৱাৰীঃ** আজি প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা শৰৎ চন্দ্ৰ সিংহৰ ১১০ তম জন্ম দিন। জন্ম দিন উলপক্ষে বছৰৰ প্ৰথম দিনটোত প্ৰাক্তন মুখ্যমন্ত্ৰী জননেতা শৰৎ চন্দ্ৰ সিংহক স্মৰণ কৰা হয়। শৰৎ চন্দ্ৰ সিংহ ন্যাসৰ উদ্যোগত মহানগৰীৰ লক্ষীধৰ বৰা ক্ষেত্ৰত অনুষ্ঠিত হয় বিশেষ কাৰ্যসূচী। পুৱা প্ৰতিমূৰ্তিত মাল্যৰ্পণ কৰে এনচিপিৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ সভাপতি নৰধৰ বৰাই। পুষ্পাঞ্জলি অৰ্পণ কৰে বিশিষ্ট সমাজসেৱক দ্বীজেন ভট্টচাৰ্যই। তাৰ পাছতে 'শৰৎ চন্দ্ৰ সিংহৰ জীৱন-দৰ্শন আৰু সাম্প্ৰতিক সময়ৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনাৰ আঁতধৰে শৰৎ চন্দ্ৰ সিংহ ন্যাসৰ সম্পাদক পৰেশ বৰুৱাই। এই আলোচনা চক্ৰত বিশিষ্ট সমাজসেৱক দ্বীজেন ভট্টচাৰ্য, নৰধৰ বৰা, কল্পনা সিংহই জননেতা শৰৎ চন্দ্ৰ সিংহৰ কৰ্মৰাজিৰ বিশদ আলোচনা আগবঢ়ায়। এই সময়ৰ ৰাজনীতিত শৰৎ চন্দ্ৰ সিংহৰ দৰে সৎ, নিষ্ঠাবান লোকৰ প্ৰয়োজন বুলি দোহাৰে। অনুষ্ঠানত ভুপেন হাজৰিকা ন্যাসৰ সচিব দীপাংক হাজৰিকা, এনচিপিৰ নেতা-কৰ্মী আৰু গুণমুগ্ধ উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জাপানাত বছৰৰ প্ৰথমটো দিনতে

অঞ্চলত ১.২ মিটাৰ উচ্চতাৰ ছুনামিয়ে প্ৰচণ্ড আঘাত কৰে। বছৰৰ প্ৰথম দিনটোত জাপানত হোৱা শক্তিশালী ভূমিকম্পৰ পাছতে ধ্বংসলীলাৰ ভয়াবহ ছবিসমূহ আহিবলৈ ধৰিছে৷ জাপানৰ ভূমিকম্পৰ ভয়ানক দৃশ্যসমূহ সামাজিক মাধ্যমত প্ৰচাৰ হোৱাত নাগৰিক আতংকিত হৈছিল। ৰাস্তাত বৃহৎ ফাট আৰু এতিয়া চুনামিৰ দৃশ্যও স্পষ্টভাৱে দেখা গৈছে। স্থানীয় সংবাদ মাধ্যমৰ খবৰ অনুসৰি সোমবাৰে উত্তৰ-মধ্য জাপানত ৭.৫ প্ৰাবল্যৰ ভূমিকম্পৰ কেইঘণ্টামান পাছতে বহু উচ্চতালৈকে সাগৰীয় ঢৌ উঠা পৰিলক্ষিত হৈছে৷ জাপান বতৰ বিজ্ঞান সংস্থাই ইশিকাৱা, নিগাটা আৰু টোয়ামা প্ৰিফেকচাৰৰ উপকূলীয় অঞ্চলসমূহত চুনামিৰ সতৰ্কবাণী জাৰি কৰিছিল। একে সময়তে, ভূমিকম্পৰ কেন্দ্ৰ ইশিকাৱা আৰু ৰাজধানী টকিঅ'ৰ মাজৰ বুলেট ট্ৰেইন সেৱা বন্ধ কৰি দিয়া হৈছে। আনহাতে, জাপানত হোৱা শক্তিশালী ভূমিকম্পৰ ফলত দেশখনৰ পাৰমাণৱিক প্ৰকল্পসমূহৰ ক্ষতি হোৱা নাই যদিও পৰৱৰ্তী সময়ত প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে। জাপানৰ পাৰমাণৱিক নিয়ামক কৰ্তৃপক্ষই এই তথ্য প্ৰদান কৰিছে। জাপানৰ উপকূলীয় অঞ্চলত কানচাই বৈদ্যুতিক শক্তিৰ পাঁচটা প্ৰকল্প আছে৷ বিখ্যাত ওহি আৰু তাকাহামা প্ৰকল্পও ইয়াৰ ভিতৰতে। ভূমিকম্পৰ কেন্দ্ৰস্থল ইশিকাৱাৰ হোকুৰিকু প্ৰকল্প ভূমিকম্পৰ আগতে বন্ধ কৰি দিয়া হৈছিল। প্ৰকল্পসমূহত ভূমিকম্পৰ কোনো প্ৰভাৱ পৰা নাই বুলি খবৰ প্ৰকাশ পাইছে। জাপানত, ৭.৬ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পৰ পাছতে ৩২,৫০০টা পৰিয়াল বিদ্যুৎহীন হৈ পৰিছে। ইশিকাৱা প্ৰিফেকচাৰৰ চুজু চহৰত বহু ঘৰ আৰু বৈদ্যুতিক খুঁটা পৰিছে। স্থানীয় প্ৰশাসনৰ উদ্ধৃতিৰে কিয়োডো সংবাদ সংস্থাই এই তথ্য প্ৰদান কৰিছে। সংবাদ মাধ্যমত ইয়াকো কোৱা হৈছে যে ১.২ মিটাৰ বা চাৰি ফুট ওখ ঢৌৱে ৱাজিমা বন্দৰত আঘাত কৰিছিল। ভূমিকম্পৰ পিছত চুনামিৰ প্ৰথম ঢৌৱে ৱাজিমা বন্দৰত আঘাত কৰিছে। মধ্য জাপানৰ অঞ্চলত অনুভৱ ৭.৬ প্ৰাবল্যৰ ভূমিকম্পৰ পাছতে জাপানৰ ৰাষ্ট্ৰীয় সম্প্ৰচাৰক এনএইচকেৰ মতে ইশিকাৱাৰ উপকূলীয় অঞ্চলৰ লোকসকলক তাৎক্ষণিকভাৱে স্থানান্তৰ কৰিবলৈ কোৱা হৈছিল। এই লোকসকলক উচ্চ স্থানলৈ যাবলৈ কোৱা হৈছিল। ২০১১ চনত জাপানত বৰ ভুঁইকপ হৈছিল। সেই সময়ত ভূমিকম্পৰ তীব্ৰতা আছিল ৯.০ আৰু দেশখনৰ পূব উপকূলত আঘাত কৰিছিল। তাৰ পিছত হোৱা চুনামিত ১৮ হাজাৰৰো অধিক লোকৰ মৃত্যু হৈছিল সমগ্ৰ চহৰবোৰ মানচিত্ৰৰ পৰা মচি পেলাইছিল। ২০১১ চনত দেশখনৰ ফুকুশিমা পাৰমাণৱিক শক্তি প্ৰকল্পটো প্ৰভাৱ পৰিছিল৷ প্ৰকল্পটো বৰ্তমানলৈয়ো সম্পূৰ্ণ মেৰামতি কৰা হোৱা নাই।



প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ইণ্টাৰনেট নিষেধাজ্ঞা'! শীৰ্ষত ভাৰত

হোৱাৰ পাছৰে পৰা ভাৰতত ইণ্টাৰনেট আৰু মোবাইল সংযোগ কৰ্তনৰ পৰম্পৰা পূৰ্বৰ তুলনাত কেবাগুণে বৃদ্ধি পাইছে৷ সংবাদমাধ্যমৰ এক প্ৰতিবেদন অনুসৰি মণিপুৰৰ চুৰাচান্দপুৰ জিলাৰ ৩৯ বছৰীয়া ৰেডিঅ'লজিষ্ট ডও নগায়েজাইলঙে কেইবামাহধৰি ৰেডিঅ'লজীৰ প্ৰতিবেদন মেনুৱেলি প্ৰেৰণ কৰিবলৈ বাধ্য হৈছিল। কিয়নো মণিপুৰত ২০০ দিনতকৈও অধিক সময় ইণ্টাৰনেট সেৱা বন্ধ ৰখা হৈছিল৷ যাৰ বাবে মণিপুৰৰ চৰকাৰী-বেচৰকাৰী বিষয়ৰ তথ্য-পাতি ডাক বিভাগৰ জৰিয়তে প্ৰেৰণ কৰিবলগীয়া হৈছিল৷ ২০২৩ চনৰ ৩ ডিচেম্বৰ তাৰিখলৈকে চুৰাচান্দপুৰত ইণ্টাৰনেট সেৱা বন্ধ হৈ আছিল আৰু ব্ৰডবেণ্ড সেৱাৰ অনুমতি দিয়াৰ সময়তো সেয়া সীমিতসংখ্যক গ্ৰাহককেহে লাভ কৰিছিল। মুক্ত ইণ্টাৰনেট সেৱাৰ হকে মাত মাতি অহা আইনী সংগঠন ফ্ৰীডম ল' চেণ্টাৰৰ মতে, মণিপুৰত ২০০ দিন, কাশ্মীৰত ৫৫২ দিনৰ বন্ধৰ ফলত একেৰাহে ৫ বছৰৰ বাবে ইণ্টাৰনেট বন্ধৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ শীৰ্ষত আছে৷ ২০২৩ চনৰ ৩ মে'ত মণিপুৰত কুকি আৰু মেইটেই সম্প্ৰদায়ৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ আৰম্ভ হৈছিল৷ হিংসাত্মক ঘটনা সংঘটিত হোৱাত ৩ মে'ত ৰাজ্যব্যাপী ইণ্টাৰনেট বন্ধ কৰি দিয়া হয়। উত্তৰ-পূবৰ ৰাজ্যখনত দীঘলীয়া সময় ইণ্টাৰনেট ব্যৱহাৰত সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কৰাৰ অন্তত ২৩ ছেপ্টেম্বৰত সেৱা বাহাল কৰা হয়৷ তিনিদিন পিছত পুনৰ ইণ্টাৰনেট সেৱা বন্ধ কৰা হয়৷ ইণ্টাৰনেট ছ'চাইটি ফৰ নেটলেছ কেলকুলেটৰে অনুমান কৰা মতে, ইয়াৰ ফলত ভাৰতীয় অৰ্থনীতিয়ে প্ৰায় ২.৮ বিলিয়ন ডলাৰৰ লোকচানৰ সন্মুখীন হৈছে। কেলকুলেটৰে বিভিন্ন অৰ্থনৈতিক, সামাজিক আৰু অন্যান্য ফলাফলক লৈয়ো ইণ্টাৰনেট বন্ধৰ প্ৰভাৱ অনুমান কৰিছে। এই অনুযায়ী ভাৰতত এনে ধৰণৰ ইণ্টাৰনেট বন্ধ ১৬.২ শতাংশ বুলি কোৱাৰ লগতে ২০২৩ চনত বিশ্বব্যাপী সৰ্বাধিক বুলি কৈছে৷ Top10VPN.com-এ প্ৰদান কৰা তথ্য অনুসৰি ২০২৩ চনত ৬ হাজাৰ ঘণ্টাতকৈও অধিক সময় ইণ্টাৰনেট বন্ধ হোৱাৰ ফলত ভাৰতে ৪৮১.৬ নিযুত ডলাৰ হেৰুৱাইছে আৰু ৫৬.৭ নিযুত লোক প্ৰভাৱিত হৈছে। মণিপুৰৰ ৰেডিঅ'লজিষ্ট ডও নগায়েজাইলঙে ইণ্টাৰনেট সেৱা বন্ধ হৈ থকাক লৈ চিন্তা ব্যক্ত কৰি কয় যে আৰম্ভণিতে এয়া অতি কঠিন আছিল। ৰোগীসকলে প্ৰতিবেদন সংগ্ৰহ কৰিবলৈ ডায়গনষ্টিক চেণ্টাৰলৈ যাব লগা হৈছিল৷ ৰোগীয়ে নগদ ধন পৰিশোধ কৰিবলগীয়া হৈছিল৷ ইণ্টাৰনেটৰ ফলত ডিজিটেল লেন-দেন কৰিব পৰা নাছিল৷ মণিপুৰৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলে ইণ্টাৰনেট অবিহনে ক্লাছ কৰিব লগা হৈছিল৷ অস্থিৰতাৰ মাজত বহু পলমকৈ অনলাইন শ্ৰেণী পুনৰ আৰম্ভ হৈছে৷ মণিপুৰত ইণ্টাৰনেট সেৱা বাহাল কৰাৰ পাছতো মোবাইল সেৱা কোম্পানীৰ গ্ৰাহক বিপদত পৰিছিল৷ বহু এলেকাৰ মোবাইল গ্ৰাহকে ইণ্টাৰনেটৰ ছিগনেল পোৱা নাছিল৷ আনকি ৱাই-ফাই সেৱা বাহাল কৰাৰ পাছতো ফোনত ইণ্টাৰনেট সেৱা লাভ কৰা নাছিল৷ গ্ৰাহকে জিঅ' আৰু এয়াৰটেলৰ কাৰ্যালয়লৈ তাতবাটি কাঢ়িবলগীয়া হৈছিল৷ ৩০ বছৰীয়া এজন স্থানীয় যুৱকে সংবাদমাধ্যমক কৈছিল যে যোগাযোগত অধিক সমস্যা হৈছিল। আমি আৰম্ভণিতে বাতৰি চাব পৰা পৰা নাছিলো৷ সেয়েহে সংঘৰ্ষৰ সময়ত কি বাতৰি আহিছিল সেয়া নিশ্চিত কৰিবলৈ আমাৰ কোনো উপায় নাছিল৷ ইণ্টাৰনেট সেৱা ঘূৰি অহাৰ পিছতহে সকলোকে চৰকাৰৰ দ্বাৰা জাৰি কৰা ৰেহাই প্ৰ-পত্ৰত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰা হৈছিল। যোৱা ১০ বছৰত ভাৰতত ইণ্টাৰনেট সেৱা বন্ধৰ প্ৰৱণতা বৃদ্ধি পাইছে৷ যাৰ ফলত মানৱ অধিকাৰ আৰু আৰ্থ-সামাজিক বিকাশৰ ওপৰত প্ৰভাৱ পৰিছিল। এই বছৰৰ জুন মাহত হিউমেন ৰাইটচ ৱাচ আৰু ইণ্টাৰনেট ফ্ৰীডম ফাউণ্ডেচনৰ এক প্ৰতিবেদন অনুসৰি জৰুৰীকালীন অৱস্থাত চিকিৎসালয়সমূহে চিকিৎসকৰ সৈতে যোগাযোগ কৰিব নোৱাৰিলে৷ অৰ্থনৈতিক ধ্বংসৰ সন্মুখীন হোৱা হস্তশিল্প নিৰ্মাতা আৰু পৰীক্ষাত অনুপস্থিত থকা শিক্ষাৰ্থীসকলে ইণ্টাৰনেট বন্ধৰ ভয়াৱহ পৰিণাম ভুগিছে। চাইবাৰ সুৰক্ষা কোম্পানী ছাৰ্ফচাৰ্কৰ বাৰ্ষিক বিশ্লেষণে দেখুৱাইছে যে ভাৰতে ২০২৩ চনত বিশ্বব্যাপী ইণ্টাৰনেট বন্ধৰ শীৰ্ষত আছিল আৰু ২০১৫ চনৰ পৰা ১১২ বাৰ ইণ্টাৰনেট সেৱা বন্ধৰ ঘটনা ঘটিছে৷ এনে কাৰণতে ভাৰতে এতিয়া 'ইণ্টাৰনেট বেন'ৰ হাব আখ্যা পাইছে। বিশ্বব্যাপী মুঠ ইণ্টাৰনেট বন্ধৰ ৭১ শতাংশ এছিয়াৰ আছিল৷ ইয়াৰ ভিতৰত ভাৰতৰ জম্মু আৰু কাশ্মীৰ এছিয়াৰ ইণ্টাৰনেট নিষেধাজ্ঞাৰ শীৰ্ষত ৭৪ শতাংশ। ইৰাণে ৪৬ বাৰ ইণ্টাৰনেট নিষেধাজ্ঞাৰ সৈতে দ্বিতীয় স্থানত আছে আৰু পাকিস্তানে ১৩ বাৰৰ সৈতে তৃতীয় স্থানত আছে। চীনে ২০১৫ চনৰ পৰা মাত্ৰ ৪ বাৰৰ সৈতে দ্বাদশ স্থানত আছে। ছফ্টৱেৰ ফ্ৰীডম ল চেণ্টাৰৰ প্ৰতিষ্ঠাপক মিছি চৌধুৰীয়ে কয় যে ভাৰতত ইণ্টাৰনেটৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ ক্ষমতা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ৷ ভাৰত চৰকাৰে ২০১৯ চনৰ আগষ্টত জম্মু-কাশ্মীৰত লেণ্ডলাইন, ফিক্সড-লাইন ইণ্টাৰনেট আৰু ম'বাইল নেটৱৰ্ককে ধৰি সকলো যোগাযোগ নেটৱৰ্কৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিছিল। অনুচ্ছেদ ৩৭০ৰ জৰিয়তে ৰাজ্যখনৰ সাংবিধানিক স্বায়ত্তশাসন প্ৰত্যাহাৰ কৰাৰ চৰকাৰৰ সিদ্ধান্তৰ পিছত কাশ্মীৰীসকলৰ যিকোনো প্ৰতিবাদ প্ৰতিহত কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। যদিও কিছুমান সেৱা ক্ৰমান্বয়ে পুনৰুদ্ধাৰ কৰা হৈছিল, মোবাইল ফৰ-জি ইণ্টাৰনেট সংযোগ ফেব্ৰুৱাৰী ২০২১ লৈকে প্ৰায় ৫০০ দিনৰ বাবে কাৰ্যকৰীভাৱে উপলব্ধ নাছিল। আদালতে ঘোষণা কৰিছিল যে ভাৰতীয় সংবিধান আৰু প্ৰকৃত প্ৰতিবাদৰ অধীনত অনিৰ্দিষ্টকালৰ ইণ্টাৰনেট বন্ধৰ অনুমতি দিয়া নাই৷ এই আইনী হস্তক্ষেপৰ স্বত্বেও ভাৰতত ইণ্টাৰনেট বন্ধ এক বিতৰ্কিত বিষয় হৈ আছে। মাৰ্চ মাহত ২৭ নিযুতৰো অধিক জনসংখ্যা থকা শিখ বিচ্ছিন্নতাবাদী অমৃতপাল সিঙৰ সন্ধানৰ সময়ত পঞ্জাৱৰ কিছু অংশত কেইবাদিনো ইণ্টাৰনেট আৰু এছএমএছ সেৱা বন্ধ কৰি দিয়া হৈছিল। যোৱা ৯ বছৰত ভাৰতৰ ইণ্টাৰনেট বন্ধ তালিকাৰ শীৰ্ষলৈ উত্থানে আন্তৰ্জাতিক সমালোচনাৰ সন্মুখীন হৈছে। বিশ্বব্যাপী সহমত স্বত্বেও ভাৰত ইণ্টাৰনেট বন্ধ ৰখাৰ কাণ্ডক যেন নেতৃত্বহে দিছে৷ টেলিকম ইণ্টাৰনেট নিলম্বন নিয়মত উল্লেখ কৰা আইনী প্ৰয়োজনীয়তা স্বত্বেও, ইণ্টাৰনেট বন্ধ সম্পৰ্কীয় অৰ্ডাৰ প্ৰকাশ কৰা দেখা হোৱা নাই।

# নোবেলজয়ী অৰ্থনীতিবিদ মহম্মদ ইউনুছক ৬ মাহৰ কাৰাদণ্ড

**ঢাকা, ১ জানুৱাৰীঃ** শ্ৰম আইন উলংঘাৰ অপৰাধত কাৰাদণ্ডৰে দণ্ডিত হ'ল এগৰাকী নোবেলজয়ী অৰ্থনীতিবিদ। বাংলাদেশৰ এখন আদালতে গ্ৰামীণ টেলিকমৰ অধ্যক্ষ তথা নোবেলজয়ী অৰ্থনীতিবিদ ডঃ মহম্মদ ইউনুছসহ ৪ গৰাকী লোকক শ্ৰম আইন উলংঘাৰ গোচৰত দোষী সাব্যস্ত কৰি প্ৰদান কৰে ৬ মাহৰ কাৰাদণ্ডৰ শাস্তি। ইয়াৰ উপৰিও চাৰিওগৰাকী ব্যক্তিৰ প্ৰতিগৰাকীকে ৩০ হাজাৰ টকাকৈ আৰ্থিক জৰিমনাও বিহে আদালতে। অৱশ্যে এমাহৰ ভিতৰত আবেদন কৰাৰ চৰ্তত আদালতে ডঃ ইউনুছৰ জামিন মঞ্জুৰ কৰে। নতুন বছৰৰ পহিলা জানুৱাৰী অৰ্থাৎ সোমবাৰে বিয়লি প্ৰায় তিনি বজাত ঢাকা শ্ৰম আদালতৰ ন্যায়াধীশ শ্বেখ মেৰিনা চুলতানাই প্ৰদান কৰে এই ৰায়। এই গোচৰৰ আন দোষী সাব্যস্ত হোৱা লোকসকল হৈছে গ্ৰামীন টেলিকমৰ পৰিচালক সঞ্চালক আশ্ৰাফুল হাছান, সঞ্চালক নুৰজাহান বেগম আৰু মহম্মদ শ্বাহজাহান। আদালতে নোবেলজয়ী অৰ্থনীতিবিদ ডঃ ইউনুছকৰে ধৰি দোষী সাব্যস্ত হোৱাসকলক শ্ৰম আইনৰ ৩০৩ (ই) ধাৰাৰ অধীনত সৰ্বাধিক ৬ মাহৰ কাৰাদণ্ডৰ শাস্তি আৰু ৫ হাজাৰ টকাৰ জৰিমনা অনাদায়ৰ বাবে ১০ দিনৰ অতিৰিক্ত কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। অন্যহাতে বাকী ২৫ হাজাৰ টকা জৰিমনা অনাদায়ৰ বাবে পুনৰ অতিৰিক্ত ১৫ দিনৰ শাস্তিৰ নিৰ্দেশ দিয়ে। ৰায় পৰ্যবেক্ষণ কৰি আদালতে কয় যে অভিযুক্তৰ অধিবক্তাই এক নম্বৰ অভিযুক্তৰ বিষয়ে প্ৰশংসাসূচক বক্তব্য দাখিল কৰিছে। তেওঁক দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়া নোবেল বিজয়ী আন্তঃৰাষ্ট্ৰীয় ব্যক্তি বুলি অভিহিত কৰা হৈছে। কিন্তু নোবেল বঁটা বিজয়ী ইউনুছৰ বিৰুদ্ধে এই আদালতত বিচাৰ হোৱা নাই, গ্ৰামীণ টেলিকমৰ অধ্যক্ষ হিচাপে তেওঁৰ বিচাৰ চলি আছে। ইফালে আদালতে জনোৱা মতে, ডঃ ইউনুছকে ধৰি চাৰিজন ব্যক্তিৰ বিৰুদ্ধে শ্ৰম আইন উলংঘাৰ অভিযোগ সন্দেহৰ বাহিৰত প্ৰমাণিত হৈছে। ইফালে, ইউনুছৰ ৰায় ঘোষণাৰ ভিত্তিত শ্ৰম আদালত আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলত নিৰাপত্তা অধিক শক্তিশালী কৰা হৈছে। বৃহৎ সংখ্যক আৰক্ষী মোতায়েন কৰা হয়। ৰায় ঘোষণাৰ এঘণ্টা পূৰ্বে তাত দেশৰ প্ৰতিনিধি আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সমাগম ঘটি বাতৰি সংগ্ৰহ কৰে। উল্লেখ্য যে, ২০২১ চনৰ ৯ ছেপ্টেম্বৰত ঢাকাৰ তৃতীয় শ্ৰম আদালতত কাৰখানা আৰু প্ৰতিষ্ঠান সঞ্চালকালয়ৰ শ্ৰম পৰিদৰ্শক আৰিফুজ্জামানে ডঃ ইউনুছকে ধৰি চাৰিজন লোকৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰিছিল। এই গোচৰত শ্ৰমিক কল্যাণ ফাউণ্ডেশ্যনত নিৰ্দিষ্ট লভ্যাংশ জমা নিদিয়া, শ্ৰমিকসকলৰ চাকৰি স্থায়ী নকৰা, চৰকাৰী বন্ধৰ দিন প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰা হৈছিল। ইফালে বিগত দুবছৰীয়া আদালতৰ শুনানিৰ অন্তত ২৪ ডিচেম্বৰত আদালতে গোচৰৰ অন্তিম শুনানি গ্ৰহণ কৰি ৰায় প্ৰদানৰ বাবে ১ জানুৱাৰী নিৰ্ধাৰণ কৰিছিল।

# মহিলাক অন্তঃসত্বা কৰিব পাৰিলে ১৩ লাখৰ প্ৰলোভন দিয়া ৮জনক গ্ৰেপ্তাৰ

**পাটনা, ১ জানুৱাৰীঃ** গৰ্ভধাৰণ কৰিবলৈ সক্ষম নোহোৱা মহিলাক গৰ্ভধাৰণ কৰাব পাৰিলে পুৰুষক দিয়া হয় ১৩ লাখ টকা! বিহাৰত এনে এক ৰেকেট দীৰ্ঘ সময়ৰ পৰা চলাই অহা এটা গেঙৰ ৮ সদস্যক শেহতীয়াকৈ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বিহাৰ আৰক্ষীয়ে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, এই গেঙটোৱে 'অল ইণ্ডিয়া প্ৰেগনেন্ট জব' নামেৰে চলাই আহিছিল ৰেকেট। কিন্তু শেহতীয়াকৈ আৰক্ষীয়ে এই গেঙটোৰ বিৰুদ্ধে অভিযান চলাই ৰাজ্যখনৰ নাৱাড়াৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় গেঙটোৰ ৮ সদস্যক। আৰক্ষীয়ে জনোৱা মতে, অভিযুক্তসকলে হোৱাটছএপ আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে পুৰুষ সকলৰ সৈতে যোগাযোগ কৰিছিল আৰু তেওঁলোকৰ 'সেৱা'ৰ বিনিময়ত লাখ লাখ টকা উপাৰ্জনৰ সুযোগ আগবঢ়াইছিল। ইয়াৰ বাবে প্ৰথমে ইচ্ছুক পুৰুষসকলক ৭৯৯ টকা পঞ্জীয়ন মাচুল হিচাপে জমা কৰিবলৈ কোৱা হৈছিল। পঞ্জীয়ন সম্পূৰ্ণ হোৱাৰ পিছতে গেঙে তেওঁলোকক কিছুমান ফটোগ্ৰাফ প্ৰদান কৰি গৰ্ভধাৰণ কৰাব বিচৰা নিজৰ পছন্দৰ এগৰাকী মহিলাক বাছি ল'বল কোৱা হৈছিল। তাৰ পিছত তেওঁলোকক "মহিলাগৰাকী কিমান আকৰ্ষণীয়" তাৰ ওপৰত নিৰ্ভৰ কৰি ৫ৰ পৰা ২০ হাজাৰ টকাৰ ভিতৰত চিকিউৰিটী এমাউণ্ট জমা দিবলৈ কোৱা হয়। নৱাড়াৰ আৰক্ষী অধীক্ষক কল্যাণ আনন্দে কয়, "পুৰুষসকলক কোৱা হৈছিল যে মহিলাগৰাকী গৰ্ভৱতী হ'লে তেওঁলোকক ১৩ লাখ টকা দিয়া হ'ব। লগতে মহিলাগৰাকীক গৰ্ভৱতী কৰাত ব্যৰ্থ হ'লে সান্ত্বনামূলকভাৱে ৫ লাখ টকা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল।" আৰক্ষীয়ে জনোৱা মতে, এই ৰেকেট চলাই থকা নাৱাড়াৰ চৌহদৰ পৰা মোবাইল ফোন, এটা প্ৰিণ্টাৰ উদ্ধাৰ কৰা হৈছে। এই গেঙৰ মাষ্টাৰমাইণ্ডকে ধৰি বাকী অভিযুক্তসকলৰ সন্ধান উলিওৱাৰ প্ৰচেষ্টা অব্যাহত আছে। এছ পি কল্যাণ আনন্দৰ মতে এইসকল অভিযুক্তই দেশজোৰা চাইবাৰ ছিণ্ডিকেটৰ অংশহিচাপে কাম কৰি আহিছিল।

# নৱবৰ্ষৰ পহিলা দিনটোতে আকৌ জ্বলি উঠিল মণিপুৰ, ৪ জন নিহত

## থৌবাল জিলাত গুলীচালনা, পুনৰ সান্ধ্য আইন জাৰি

**ইম্ফল, ১ জানুৱাৰীঃ** ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত পুনৰ হিংসাৰ জুইত দাউদাউকৈ জ্বলি উঠিল মণিপুৰ। পহিলা দিনটোতে গুলীচালনাৰ ঘটনাত চাৰিজনকৈ লোকে প্ৰাণ হেৰুৱাইছে আৰু ৬জনকৈ লোক গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হৈছে। থৌবাল জিলাৰ লিলঙৰ চিংজাওত সংঘটিত হৈছে এই কাণ্ড। অস্ত্ৰধাৰীয়ে নিৰীহ লোকক লক্ষ্য কৰি নিৰ্বিচাৰ গুলীচালনা কৰাত থিতাতে চাৰিজন লোক নিহত হয় আৰু আন ছয়জন গুৰুতৰভাৱে আহত হৈছে। সশস্ত্ৰ দলটোৰ চাৰিখন বাহনত আৰক্ষীৰ পোছাক পিন্ধি আহি নিৰীহ লোকৰ ওপৰত নিৰ্বিচাৰ গুলীচালনা কৰিছিল। খবৰ অনুসৰি ঘটনাটোৰ পিছত লিলঙৰ চিংজাওত দৌৰা-দৌৰা লাগে। হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। লগে লগে অস্ত্ৰধাৰী দলটোৱে শূন্যলৈ গুলীচালনা কৰি পলায়ন কৰে যদিও দুখন বাহন ক্ষোভিত জনতাই জ্বলাই দিয়ে। এই ঘটনা সংঘটিত হোৱাৰ পাছতে প্ৰতি লক্ষ্য ৰাখি উপত্যকা জিলাত পুনৰ অনিৰ্দিষ্টকালৰ বাবে কাৰ্ফিউ জাৰি কৰা হৈছে। অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰাৰ নিৰ্দেশ দিছে ৰাজ্য চৰকাৰে। আনহাতে, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে ৰাজ্যখনত শান্তি স্থাপনৰ বাবে আহ্বান জনাই কোনো লোকক আইন হাতত তুলি নল'বলৈ আহ্বান জনায়। ইফালে, অপৰাধীসকলক সোনকালেই গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছে অগ্নিগৰ্ভা হৈ পৰা মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে।

## নেশ্যনেল কমন মোবিলিটি কাৰ্ড মুকলি মুখ্যমন্ত্ৰীৰ

# আজিৰে পৰা গুৱাহাটীৰ ৰাজপথত ১০০ খন ইলেক্ট্ৰিক বাছ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জানুৱাৰীঃ** নতুন বছৰৰ পহিলা দিনটোত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ বাবে ২০০ খন ৰাজহুৱা বাছ মুকলি কৰে। গুৱাহাটীৰ ৰূপনগৰত এচিযুক্ত ২০০ বৈদ্যুতিক বাছৰ ফ্লেগিং অফ কৰাৰ লগতে নেচনেল কমন মোবিলিটি কাৰ্ড মুকলি কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ২০০ খন বাছৰ ভিতৰত ১০০ খন গুৱাহাটী মহানগৰীত আৰু ১০০ খন ৰাজ্যৰ আন আন প্ৰান্তলৈ চলাচল কৰিব। ১৬১ কোটি টকা ব্যায় কৰি আৰম্ভ কৰা এই গ্ৰীণ বাছ সেৱাই ৰাইজক উপকৃত কৰিব বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে। আগন্তুক দিনত নাগৰিকৰ যাতায়ত ব্যৱস্থা সৰল কৰিবৰ বাবে ৰাজ্য চৰকাৰে আন আন কাৰ্যসূচী ৰূপায়ন কৰিব বুলি উল্লেখ কৰে। ডিজেলচালিত বাছসমূহ বন্ধ কৰাৰ লগতে বৰ্তমান চলি থকা ডিজেলচালিত বাছসমূহ বিশেষ বিশেষ পথতহে চলোৱাৰ ব্যৱস্থা কৰিব ৰাজ্য চৰকাৰে। পুনৰ ২০০ বৈদ্যুতিক বাছ গুৱাহাটীত মুকলি কৰাৰো কথা উল্লেখ কৰে পৰিবহন বিভাগে। ২০২৫ চনৰ ভিতৰত গুৱাহাটীত ডিজেলমুক্ত বাছ সেৱা আৰম্ভ কৰাৰ সংকল্প লৈছে ৰাজ্য চৰকাৰে। গুৱাহাটীৰ ৰাজহুৱা বাছ সেৱা বৈদ্যুতিক কৰাৰ লগতে অন্যান্য সেৱাতো বৈদ্যুতিক বাহন ব্যৱহাৰ কৰা হ'ব। তাৰ লগতে গুৱাহাটীৰ উৰণীয়া সেঁতুসমূহত বৈদ্যুতিক বাহনৰ বাবে ছাৰ্জিং ষ্টেচন স্থাপন কৰা হ'ব। গুৱাহাটী মহানগৰীক সামৰি চলাচল কৰিবলগীয়া ১০০ খন বাছৰ বাবে গুৱাহাটীৰ আশে-পাশে চাৰ্জিং ষ্টেচন স্থাপন কৰা হ'ব। মহানগৰীৰ সমীপৱৰ্তী বাইহাটা চাৰিআলি, চন্দ্ৰপুৰ, মিৰ্জা, সোণাপুৰক সামৰি ল'ব। ৰাজ্য চৰকাৰৰ পৰিবহন বিভাগে ঘোষণা কৰা মতে, চন্দ্ৰপুৰ, মিৰ্জা আৰু ৰূপনগৰত বাছসমূহ বাবে চাৰ্জিং ষ্টেচন স্থাপন কৰা হ'ব। বাছসমূহত যাত্ৰাকৰিবলগীয়া নাৰীৰ সুৰক্ষাৰ কথা বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। নিশা যাত্ৰা কৰিবলগীয়া নাৰীৰ সুৰক্ষাৰ কথা ভাবিয়েই চিচিটিভি, জিপিএছ ব্যৱস্থা বাহাল কৰা হৈছে। এই বাছসমূহত চিচিটিভি সংলগ্ন কৰা হৈছে। সমানে থাকিব ট্ৰেকিং কৰিব পৰাকৈ জিপিএছ ব্যৱস্থা। আজি মুকলি কৰা গ্ৰীণ বাছৰ ভাড়া নিৰ্ধাৰণ কৰি দিছে পৰিবহন বিভাগে। বাছত উঠিলেই ১০ টকা আদায় দিব লাগিব। তাৰ লগে লগে প্ৰতি তিনি কিলোমিটাৰত ১৫ টকাকৈ আদায় দিব লাগিব। আজি মুখ্যমন্ত্ৰীয়ে নেচনেল কমন মোবিলিটি কাৰ্ডৰ ব্যৱস্থাও মুকলি কৰে। যিখন কাৰ্ডে সমগ্ৰ দেশত ভ্ৰমণ কৰা লোকসকলৰ বাবে সহায়ক হ'ব। গুৱাহাটীৰ পৰিবহন সেৱাৰ লগতে দেশৰ আন আন প্ৰান্তত ৰে'লৰ টিকট, মেট্ৰ'ৰ টিকট, বাছৰ ভাড়া পৰিশোধ কৰিব পাৰিব। ৰাষ্ট্ৰীয় উমৈহতীয়া গতিশীলতা কাৰ্ড চমুকৈ NCMC হৈছে ভাৰত চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা কাৰ্যকৰী কৰা আন্তঃ-কাৰ্যকৰী পৰিবহন কাৰ্ড। এই কাৰ্ড ২০১৯ চনৰ ৪ মাৰ্চত মুকলি কৰা হৈছিল। এই পৰিবহন কাৰ্ডে ভ্ৰমণ টোল, শুল্ক, খুচুৰা বজাৰ কৰাত সহায় কৰে। NCMC কাৰ্ড মুকলি কৰা অসম তৃতীয়খন ৰাজ্য।

## মহানগৰীত দেশৰ দ্বিতীয় দীৰ্ঘতম উৰণীয়া সেঁতুৰ আধাৰশিলা স্থাপন

# ১ জানুৱাৰীত ৰাইজে নিবিচৰা উপহাৰ দিলে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই!

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জানুৱাৰীঃ** নৱবৰ্ষৰ পহিলা দিনটোত ৰাইজে নিবিচৰা এক উপহাৰ প্ৰদান কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই৷ দীঘলীপুখুৰীপাৰৰ পৰা নুনমাটিলৈ ৰাজ্যৰ ভিতৰত দীঘলীয়া উৰণীয়া সেঁতুখনৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে৷ এই উৰণীয়া সেঁতুখন নিৰ্মাণত গুৱাহাটীৰ সংখ্যাগৰিষ্ঠ লোকে বিভিন্ন মাধ্যম যোগে প্ৰতিবাদ কৰিছে৷ এইখন সেঁতু নিৰ্মাণৰ ফলত কেইবা শ গছ কাটিবলগীয়া হোৱাৰ লগতে ঐতিহাসিক সা-সম্পত্তিৰ চিন-মোকাম নোহোৱা হৈ পৰিব৷ গৰিষ্ঠসংখ্যক লোকৰ বিৰোধ স্বত্বেও আজি বছৰৰ প্ৰথম দিনটোত উৰণীয়া সেঁতুখনৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই৷ দীঘলীপুখুৰীৰ পৰা নুনমাটিলৈ এই সেঁতুখন চাৰিলেন যুক্ত হ'ব৷ সেঁতুখন ৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ হ'ব আৰু অসমৰ আটাইতকৈ দীঘল উৰণীয়া সেঁতু হৈ পৰিব। মুখ্যমন্ত্ৰী শৰ্মাই উৰণীয়া সেঁতুখনে যান-জঁট নাশ কৰাত সহায় কৰাৰ লগতে গুৱাহাটীৰ বিভিন্ন স্থানত উপস্থিত হ'বলৈ সহায়ক হ'ব বুলি দাবী কৰে৷ উৰণীয়া সেঁতুখন দীঘলীপুখুৰীৰ পৰা আৰম্ভ হৈ চানমাৰিৰ সেঁতুক সংযোগ কৰিব৷ চানমাৰিৰ পৰা বামুণিমৈদামত সমাপ্ত হ'ব৷ যাৰ বাবে সেঁতুখনৰ আকাৰ ডাঙৰ কৰা হ'ব৷ চানমাৰি আৰু গুৱাহাটী ক্লাৱত একোটাকৈ চাৰ্কোল থাকিব৷ বামুণীমৈদামৰ পৰা দীঘালীপুখুৰীলৈ আহিব বিচৰা লোকসকলে পোনে পোনে যাত্ৰা কৰিব পাৰিব৷ অন্য দিশে যাব বিচৰাসকলে চানমাৰিত সেঁতুৰ ওপৰতে গাড়ীৰ দিশ সলনি কৰিব পাৰিব৷ জু-ৰোড অভিমুখে যাব বিচৰা লোকসকলে চাৰ্কোল ব্যৱহাৰ কৰিব পাৰিব। শিলপুখুৰী বা নৱগ্ৰহলৈ যাব বিচৰা লোকসকলে চানমাৰী উৰণীয়া সেঁতুৰ তলৰ বৰ্তমানৰ পথ ব্যৱহাৰ কৰিব পাৰিব। গুৱাহাটী ক্লাৱতো তেনে এটা চাৰ্কোল থাকিব৷ গুৱাহাটী ক্লাৱ-উলুবাৰী সংযোগী পথৰ ৰে'লৱেৰ সেঁতুখন পোনপটীয়াকৈ নেহৰু ষ্টেডিয়ামলৈ বঢ়াই দিয়া হ'ব। নাগৰিকে উলুবাৰীলৈকে চাৰ্কোল ব্যৱহাৰ কৰিব পাৰিব৷ উলুবাৰীৰ লোকসকলে চাৰ্কোলেৰে চানমাৰী আৰু দীঘালীপুখুৰী যাত্ৰা কৰিব পাৰিব৷ লতাশিলৰ পৰা অহা লোকসকলৰ বাবে দুটা লেনৰ সেঁতু সংযোগ কৰা হ'ব। ৰিজাৰ্ভ বেংকলৈকে সেঁতুৰ এটা অংশ লগ লগাই দিয়া হ'ব৷ যাৰ দ্বাৰা ৰে'ল ষ্টেচনৰ যাত্ৰীসকলে বামুণীমৈদামলৈ যাত্ৰা কৰিব পাৰে। আজি মুখ্যমন্ত্ৰীয়ে কয় যে সেঁতুখনে গুৱাহাটী চহৰৰ যান-জঁট হ্ৰাস কৰিব। মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাজধানীত যান-জঁট হ্ৰাস কৰাৰ প্ৰতিশ্ৰুতি দি আৰু কয় যে সেঁতুখনে অহা ২৫ বছৰৰ বাবে সমগ্ৰ গুৱাহাটী চহৰৰ যান-জঁট হ্ৰাস কৰাত সহায় কৰিব। ৪.৫ কিঃমিঃ দৈৰ্ঘ্যৰ সেঁতুখন দেশৰ দ্বিতীয় দীৰ্ঘতম উৰণীয়া সেঁতু হৈ পৰিব। প্ৰায় ৮৫৩ কোটি টকা ব্যয় হ'বলগীয়া সেঁতুখন নিৰ্মাণৰ সিদ্ধান্ত যোৰহাটত অনুষ্ঠিত কেবিনেটত লোৱা হৈছিল৷

# সমাজকৰ্মী অজয় গগৈৰ ব্যতিক্ৰমী প্ৰয়াস, ৫ লাখৰ সামগ্ৰী বিতৰণ

## দৰিদ্ৰৰ মুখত এমোকোৰা হাঁহি বিৰিঙোৱাৰ পদক্ষেপ

**ই-সংবাদ, চাবুৱা, ১ জানুৱাৰীঃ** হাঁহে-মাহে খাই, গীত-নৃত্য কৰি নতুন বছৰ পাৰ কৰাৰ বিপৰীতে এক ব্যতিক্ৰম কাৰ্যসূচী ৰূপায়ণ কৰি পালন কৰা হৈছে নতুন বছৰ৷ নতুন বছৰত দুৰ্দশাগ্ৰস্ত লোকৰ সহায়ৰ বাবে অনুষ্ঠিত কৰা হ'ল বিশেষ কাৰ্যসূচী৷ ইংৰাজী নৱবৰ্ষ উপলক্ষে আজি উজনি অসমৰ ডিব্ৰুগড় জিলাৰ লাহোৱাল প্ৰেছ ক্লাৱত 'মানুহে মানুহৰ বাবে একাঁজলি সহায়ৰ হাত' শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়৷ সমাজক ইতিবাচক খবৰ দিয়াৰ উদ্দেশ্যে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়৷ লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সমাজসেৱক অজয় গগৈৰ আতিথ্যত বছৰৰ পহিলা দিনটোত ব্যতিক্ৰমী কাৰ্যসূচী 'মানুহে মানুহৰ বাবে একাঁজলি সহায়ৰ হাত' সম্পন্ন কৰি মানৱীয় প্ৰমূল্যবোধ জীয়াই ৰখাৰ বাৰ্তা প্ৰদানৰ প্ৰয়াস কৰে৷ এই অনুষ্ঠানত অজয় গগৈয়ে লাহোৱাল সমষ্টিৰ শতাধিক পৰিয়ালক সাহায্য বিতৰণ কৰে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালক পাঁচ হাজাৰকৈ টকাৰ সামগ্ৰী বিতৰণ কৰে অজয় গগৈয়ে। বছৰৰ পহিলা দিনটোত সৰ্বমুঠ ৫ লাখ টকাৰ সামগ্ৰী দুখনকৈ ট্ৰাকত ভৰ্তি কৰি আনি সমষ্টিৰ আৰ্থিকভাৱে দুৰ্বল লোকক বিতৰণ কৰা হয়৷ কেৱল খাদ্যই নহয় প্ৰচণ্ড শীতত গৰম বস্ত্ৰৰ অভাৱত জাৰতে দিন পাৰ কৰে এইসকলে৷ এনে পৰিয়ালক অজয় গগৈয়ে গৰম বস্ত্ৰ যোগান ধৰে৷ লাহোৱাল প্ৰেছ ক্লাবৰ সহযোগত চাউল, দাইল, আলু, শাক পাচলি, তেল, নিমখৰ পৰা আৰম্ভ কৰি প্ৰায় ২৪ বিধ সামগ্ৰী প্ৰদান কৰাত সচেতন নাগৰিকে ভূয়সী প্ৰশংসা কৰিছে সমাজকৰ্মী অজয় গগৈক৷

# সফল হ’বনে ‘ইণ্ডিয়া’ মিত্ৰজোঁট?

“দেশৰ পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত 'ইণ্ডিয়া'ৰ তথাকথিত বিগ ব্ৰাদাৰৰ ভাওঁ লোৱা কংগ্ৰেছৰ হিন্দী বলয়ত চূড়ান্ত ব্যৰ্থতাই দলটোৰ অস্তিত্বক লৈ একপ্ৰকাৰ ভাবুকি আনিছে। ”

## মৃণাল চক্ৰৱৰ্তী



**দিল্লীৰ মছনদৰ** পৰা গেৰুৱা দল বিজেপিক উৎখাত কৰাৰ লক্ষ্যৰে ইতিমধ্যে গঠিত 'ইণ্ডিয়া'ৰ অভ্যন্তৰত প্ৰবল জোকাৰণিৰ সৃষ্টি হৈছে। দেশৰ পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত 'ইণ্ডিয়া'ৰ তথাকথিত বিগ ব্ৰাদাৰৰ ভাওঁ লোৱা কংগ্ৰেছৰ হিন্দী বলয়ত চূড়ান্ত ব্যৰ্থতাই দলটোৰ অস্তিত্বক লৈ একপ্ৰকাৰ ভাবুকি আনিছে। ৰাজস্থান, মধ্যপ্ৰদেশ, চত্তিশগড়ৰ দৰে ৰাজ্যৰ জনতাই চূড়ান্তভাৱে কংগ্ৰেছক প্ৰত্যাখ্যান কৰাৰ পিছত হিন্দী বলয়ৰ এনে শোচনীয় পৰাজয়ৰ কাৰণ বিচাৰি কংগ্ৰেছৰ ভিতৰচ'ৰাত প'ষ্টমৰ্টেম আৰম্ভ হৈছে।

'ইণ্ডিয়া'ৰ অংশীদাৰী দলক উপেক্ষা কৰাৰ বাবেই হিন্দী বলয়ত শোচনীয় বিপৰ্যয়ৰ সন্মুখীন হোৱা তথাকথিত বিগ ব্ৰাদাৰ কংগ্ৰেছৰ নেতৃত্বত দিশহাৰা হৈ পৰিছে। পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে কংগ্ৰেছ নেতৃত্বই ততাতৈয়াকৈ আহ্বান জনোৱা 'ইণ্ডিয়া'ৰ বৈঠক পৰ্যন্ত পিছুৱাই দিবলৈ বাধ্য হৈছে। প্ৰসংগক্ৰমে উল্লেখ্য যে পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পিছতে 'ইণ্ডিয়া'ৰ অংশীদাৰী একাধিক দলৰ নেতাই কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছিল।

হিন্দী বলয়ত এনে চৰম বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ পিছতে কংগ্ৰেছ নেতৃত্বই আগন্তুক লোকসভা নিৰ্বাচনৰ ৰণনীতি প্ৰস্তুত কৰাৰ লক্ষ্যৰে 'ইণ্ডিয়া'ৰ বৈঠক আহ্বান জনাইছিল যদিও সহযোগী একাধিক দলৰ নেতৃত্ব এতিয়াও ক্ষুব্ধ। আগন্তুক লোকসভা নিৰ্বাচনলৈ লক্ষ্য ৰাখি 'ইণ্ডিয়া' গঠন কৰাৰ আগভাগ লোৱা কংগ্ৰেছ নেতৃত্বই পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত 'একলাচলো' নীতি গ্ৰহণ কৰাৰ ফল ইতিমধ্যে হাটে হাটে লাভ কৰাত 'ইণ্ডিয়া'ৰ অংশীদাৰী দলসমূহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

বিজেপি নেতৃত্বাধীন এনডিএক প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে গঠিত 'ইণ্ডিয়া'ৰ বিগ ব্ৰাদাৰৰ ভূমিকা লোৱা কংগ্ৰেছৰ এনে শোচনীয় বিপৰ্যয়ে 'ইণ্ডিয়া'ৰ ভাৱমূৰ্তি ইতিমধ্যে ম্লান কৰি পেলাইছে বুলি ৰাজনৈতিক পৰ্যবেক্ষক মহলে মন্তব্য কৰিছে। দিল্লীৰ মছনদৰ পৰা এনডিএক উৎখাত কৰিবলৈ গঠন কৰা 'ইণ্ডিয়া' লোকসভা নিৰ্বাচনৰ পূৰ্বে মতানৈক্য সৃষ্টিৰ সম্ভাৱনা এনে পৰিপ্ৰেক্ষিতত অধিক ঘণীভূত হৈছে। কংগ্ৰেছ নেতৃত্বৰ অহংকাৰ তথা একনায়কত্ববাদ আৰু একাধিক অংশীদাৰী দলৰ নেতৃত্ব কংগ্ৰেছৰ প্ৰতি মুকলি বিষোদগাৰে 'ইণ্ডিয়া'ক লোকসভা নিৰ্বাচনৰ পূৰ্বে কাগজৰ বাঘলৈ পৰ্যবসিত নকৰিব তাৰ কোনো নিশ্চয়তা নাই।

**সম্পাদকীয়**

**সোমবাৰ,**
**১ জানুৱাৰী, ২০২৪।।**
**নিশা ১০ বজা**

## শুভ নৱবৰ্ষ!

১৯৬৪ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা প্ৰকাশ পোৱা ইংৰাজী দৈনিক 'দ্য ছান'ৰ প্ৰথম সংখ্যাত কিয় আকৌ এখন নতুন কাকত প্ৰকাশ কৰা হৈছে সেয়া উল্লেখ কৰিছিল বিশেষ ধৰণে। প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছিল উক্ত বাতৰিটো। শিৰোনামটো আছিল অতি আকৰ্ষণীয়। 'গুড মৰ্ণি! য়েছ, ইটছ টাইম ফৰ এ নিউ নিউজপেপাৰ'। বাতৰিটোৰ আৰম্ভণিতে লিখিছিল যে গ্ৰেট ব্ৰিটেইনৰ জনতাই যুগৰ সৈতে খাপ খোৱা এখন নতুন বাতৰি কাকত প্ৰকাশ পোৱাৰ সময় আহি পৰিছে বুলি বিশ্বাস কৰে। সেয়ে এই বিশেষ দিনটোৰে পৰা 'ছান' (কাকতখন) অতি উজ্জ্বলতাৰে উদিত হৈছে। ব্ৰিটেইনৰ সচেতন জনতাৰ কথাই সুকীয়া। 'দ্য ছান' কাকতখন আজিও বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সগৌৰৱে প্ৰকাশ পাই আহিছে। একেদৰে ব্ৰিটেইনত বহুকেইটা সংবাদ প্ৰতিষ্ঠানে কৰ্পৰেট আৰু চৰকাৰী বিজ্ঞাপন অবিহনেই সচেতন পঢ়ুৱৈৰ দান-বৰঙণিৰে মুক্ত আৰু স্বতন্ত্ৰ সাংবাদিকতাক নতুন মাত্ৰা প্ৰদান কৰিছে। কিন্তু আমাৰ ভাৰত তথা অসমত তেনে কথা কল্পনাই কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় পৰ্যায়ত দুই-এটা সংবাদ প্ৰতিষ্ঠানে সচেতন পঢ়ুৱৈৰ পৰা দান-বৰঙণি লৈ চৰকাৰ আৰু কৰ্পৰেট বিজ্ঞাপন নোহোৱাকৈ জনতাৰ স্বাৰ্থত বাতৰি প্ৰকাশ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। বিপৰীতে অসত তেনে প্ৰয়াস চলালেও মানুহে ঠাট্টা-মস্কৰাহে কৰে। যোৱা ৮ বছৰত নিউজ নেক্সট ওৱানে তেনে ঠাট্টা-মস্কৰাৰ সন্মুখীন হৈয়ো একাংশ শুভকাংক্ষীৰ পৰা পোৱা সামান্য বৰঙণিৰে সোঁতত উটি নোযোৱাকৈ জীয়াই আছে। এই সময়ছোৱাত চৰকাৰক সমালোচনা কৰা কেবাটাও সংবাদ প্ৰতিষ্ঠান বিক্ৰী হৈ পৰিল। কোনোটো প্ৰতিষ্ঠানক যদি পোনপটীয়াকৈ ক্ৰয় কৰিছে কোনোটোৰ ক্ষেত্ৰত আকৌ সম্পাদক-মালিকক ঠিকা-ঠুকলি দি আওপকীয়াকৈ ক্ৰয় কৰিছে। বাকী ভয়-ভাবুকিবোৰ আছেই। আমি নিশ্চিত যে ব্ৰিটেইনৰ জনতাৰ দৰে অসমৰ জনতাই নতুন কাকতৰ বা ৰাইজৰ স্বাৰ্থত মাত মতা কাকত, নিউজ ৱেবছাইট, চেনেল এইবোৰ একোৱে নিবিচাৰে। অসমৰ অধিকাংশ ৰাইজে সোঁতত উটি গৈ ভাল পায়, মুখৰোচক আৰু ভাইৰেল খবৰহে চাবলৈ ভালপায়। তাৰ মাজতো আমি একাংশ সাংবাদিকে নিজৰ মন-মগজু ৰাজনৈতিক নেতাৰ ওচৰত বিক্ৰী কৰিব নোৱাৰো বাবেই তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো ৰাইজৰ স্বাৰ্থত সাংবাদিকতাৰ জৰিয়তে প্ৰকৃত সত্যবোৰ ক'বলৈ প্ৰয়াস চলাই গৈছো। এই প্ৰয়াসৰেই এক পদক্ষেপ ই-সংবাদ। আশা কৰিছো অসমৰ সকলোৱে নহ’লেও প্ৰতিদিনে ১০০ জন পঢ়ুৱৈয়ে আমাৰ কাকতখন নতুন বছৰটোত ক্লিক কৰি চাব। এই আশাৰে সকলোলৈ জনাইছো শুভ নৱবৰ্ষ।

# অসম অৰ্থনৈতিক শক্তিত পৰিণত হৈছে বুলি দাবী মুখ্যমন্ত্ৰীৰ

## পৰেশ বৰুৱাক অসম ভ্ৰমণ কৰিবলৈ আহ্বান

**ই-সংবাদ, ১ জানুৱাৰীঃ** আজি বছৰৰ প্ৰথম দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পুৰাই ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিকসকলৰ সৈতে বাৰ্তালাপ কৰে৷ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ কেইবাটাও জ্বলন্ত সমস্যা সন্দৰ্ভত মতামত ব্যক্ত কৰে৷ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি আলফা-চৰকাৰৰ চুক্তি, পৰেশ বৰুৱাৰ সৈতে আলোচনাত বহাৰ পৰিৱেশক লৈ মত ব্যক্ত কৰিছে৷ তেওঁৰ কাৰ্যকালত ৫৮ হাজাৰ কোটি টকাৰ প্ৰকল্প ৰূপায়ন কৰা বুলি দাবী কৰিছে৷ মুখ্যমন্ত্ৰীয়ে আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাক অসম ভ্ৰমণ কৰিবলৈ আহ্বান জনাই কয় যে পৰেশ বৰুৱাই ৰাজ্য ভ্ৰমণ কৰক, তেতিয়া সকলো দাবী সলনি হ'ব। মই ৬ মাহৰ আগত পৰেশ বৰুৱাৰ সৈতে কথা পাতিছো। অহা ৬-৭ দিনৰ ভিতৰত তেওঁৰ সৈতে কথা পাতিম বুলি চিন্তা কৰি আছো৷ আগতে কোনো অসমৰ মুখ্যমন্ত্ৰীয়ে বৰুৱাৰ সৈতে কথা পতা নাছিল৷ এতিয়া মই তেওঁৰ মতামত জানিবলৈ তেওঁক পোনপটীয়াকৈ ফোন কৰো। মুখ্যমন্ত্ৰীয়ে কয় যে পৰেশ বৰুৱাৰ অসমৰ প্ৰতি থকা প্ৰেমক লৈ কোনো সন্দেহ নাই৷ কিন্তু যদি তেওঁ অসমলৈ আহে তেন্তে তেওঁ জানিব পাৰিব যে অসমৰ পৰিৱেশ ক'ৰ পৰা ক'লৈ গৈছে৷ পৰেশ বৰুৱাৰ সৈতে নিৰন্তৰ আলোচনাই অনাগত দিনত ইতিবাচক ফল আহিব বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় মই ভাবো ৩০ বছৰ আগতে যেতিয়া পৰেশ বৰুৱাই অসম ত্যাগ কৰিছিল আৰু এতিয়া যদি তেওঁ ৩০ বছৰৰ পিছত ঘূৰি আহে তেন্তে তেওঁৰ দাবী সলনি হ'ব। “মই আইবিক জনাইছো যে মই মোৰ সকলো মন্ত্ৰী আৰু বিধায়কে পৰেশ বৰুৱাৰ সৈতে কথা পাতি অসমত ঘটি থকা সাফল্যৰ বিষয়ে ক'বলৈ কৈছো৷ কাৰণ তেওঁ কেৱল কেইজনমান মানুহৰ সৈতে বাৰ্তালাপ কৰে, যিসকলে স্বাধীন অসমৰ সপোন দেখে। তেওঁ জানিব লাগিব যে অসম সলনি হৈছে'-বুলিও কয় ড০ শৰ্মাই৷ ২০২৩-২৪ বৰ্ষৰ বাবে অসমৰ জিডিপি ১৪.৭ শতাংশ বৃদ্ধি হৈছে। অসম আজি এক অৰ্থনৈতিক শক্তি। ২০২৩-২৪ বৰ্ষত জিডিপি বৃদ্ধি ৫ লাখ ৬৫ কোটি টকা স্পৰ্শ কৰিব বুলি অনুমান কৰা হৈছে। এই বছৰৰ বাবে প্ৰাৰম্ভিক অনুমান হৈছে ৬ লাখ ৩৮ হাজাৰ কোটি টকা। ২০২৬ চনৰ আগতে অসমৰ অৰ্থনীতি ১০ লাখ কোটি টকাৰ ওচৰত থাকিব। ২০২৩ চনত নৱেম্বৰলৈকে প্ৰাৰম্ভিক পৰ্যায়ত আমি আমাৰ কৰ সংগ্ৰহত ১৮ শতাংশ বৃদ্ধি দেখুৱাইছো৷ যিশান্তিপূৰ্ণ পৰিস্থিতিক দেখুৱাইছে৷ মানুহে বাণিজ্য আৰু অন্যান্য কাৰ্যকলাপত নিয়োজিত হৈছে। বিশ্ব বেংক, এছিয়ান বেংক আদি সংস্থাৰ পৰা সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে যোৱা তিনি বছৰত ৫৮ হাজাৰ কোটি টকা চুইছে৷ গুৱাহাটী-উত্তৰ গুৱাহাটী, পলাশবাৰী-শুৱালকুছি দলং, ডিমা হাচাৰৰ সৌৰ শক্তি প্ৰকল্প, গুৱাহাটী পানী যোগান প্ৰকল্প, ৪০০০ কোটি টকাৰ পথ সংযোগ প্ৰকল্প ৰূপায়ন কৰা হৈছে৷ যোৱা তিনি বছৰত অনুমোদিত প্ৰকল্পসমূহত মূল্য ৫৮ হাজাৰ কোটি টকা ব্যয় কৰা বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে।

# হৃদৰোগত আক্ৰান্ত ‘মোহন’ নামেৰে জনাজাত অভিনেতা দ্বীপজ্যোতি কেওট



**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জানুৱাৰীঃ** নৱবৰ্ষৰ পহিলা দিনটোতে সমগ্ৰ ৰাজ্যবাসী পিকনিক, ভোজভাত খাই ৰং-তামাচা কৰি থকাৰ সময়তে এক বেয়া খবৰে ব্যথিত কৰিছে ৰাজ্যবাসীক৷ আজি দিনৰ প্ৰায় তিনি জনপ্ৰিয় কৌতুক অভিনেতা দ্বীপজ্যোতি কেওট ওৰফে মোহন গুৰুতৰভাৱে অসুস্থ হৈ পৰিছে৷ হঠাতে অসুস্থ হোৱাত পৰিয়াল তথা বন্ধুবৰ্গই তেওঁক গুৱাহাটী মহানগৰীৰ হেল্থ চিটি হাস্পতালত ভৰ্তি কৰিছে৷ অভিনেতাগৰাকী হৃদৰোগত আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে৷ বিশিষ্ট চিকিৎসক ডা০ মায়ংক আগৰৱালাৰ নেতৃত্বত চিকিৎসৰ দলে চিকিৎসা আৰম্ভ কৰাৰ লগতে অস্ত্ৰোপচাৰ কৰা বুলি জানিব পৰা গৈছে৷ বেহাৰবাৰী আউট পোষ্ট নামৰ ধাৰাবাহিকত ‘মোহন'ৰ চৰিত্ৰত অভিনয় কৰাৰ লগতে বিভিন্ন চুটি ছবি, মিউজিক ভিডিঅ'ত অভিনয় কৰি সমগ্ৰ অসমত জনপ্ৰিয় হৈ পৰিছিল দ্বীপজ্যোতি কেওট। সামাজিক মাধ্যমযোগে পৰিয়াল, বন্ধুবৰ্গ আৰু গুণমুগ্ধ চিন্তিত ব্যক্ত কৰিছে৷ সকলোৱে শীঘ্ৰে সুস্থ হৈ উঠিবলৈ প্ৰাৰ্থনা জনাইছে৷ ৰাজ্যখনৰ সাংস্কৃতিক জগতৰ বাবে ই এক দুখৰ খবৰ৷

শেষ পৃষ্ঠা



■ বছৰৰ প্ৰথম দিনটোতেই প্ৰলয়ংকৰী ভূমিকম্পই জোকাৰি যোৱা জাপানৰ এক বুকু কঁপাই তোলা দৃশ্য, সোমবাৰে

# পেৰিছ অলিম্পিকৰ বাবে ৩০ জুনলৈ পাব সুযোগ

**দিল্লী, ১ জানুৱাৰীঃ** ভাৰতীয় এথলেটিকচৰ ২০২৪ বৰ্ষ অহা ১৫ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। ইফালে চলিত বৰ্ষৰ জুলাই-আগষ্ট মাহত পেৰিছত অনুষ্ঠিত হ'ব বিশ্ব ক্ৰীড়া মহাৰণ অলিম্পিক। পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰিব বিচৰা ভাৰতীয় খেলুৱৈ সকলে ব্যক্তিগত শাখাত অহা ৩০ জুন পৰ্যন্ত বাচনি লাভৰ সুযোগ পাব। কেৱল মাৰাথান দৌৰৰ বাবে এই সুযোগ থাকিব ৩০ এপ্ৰিল পৰ্যন্ত। এই সময়ছোৱাত ভাৰতীয় খেলুৱৈ সকলে নিজকে বাচনি কৰাৰ বাবে বহু সুবিধা লাভ কৰিব। বিগত টকিঅ' অলিম্পিকতকৈ এইবাৰ পেৰিছত অধিক ভাৰতীয় এথলেটে খেলাৰ বাবে সুযোগ পাব বুলি আশা কৰা হৈছে।

# গোল্ডী ব্ৰাৰক সন্ত্ৰাসবাদী ঘোষণা ভাৰতৰ

**চণ্ডীগড়, ১ জানুৱাৰীঃ** পাঞ্জাৱী গায়ক সিদ্ধু মুছেৱালা হত্যাকাণ্ডৰ মাষ্টাৰমাইণ্ড গোল্ডী ব্ৰাৰক লৈ নতুন বছৰৰ প্ৰথম দিনটোতে ভাৰত চৰকাৰে বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে৷ ভাৰত চৰকাৰে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা অপৰাধী গোল্ডী ব্ৰাৰ ওৰফে সতীন্দৰজিৎ সিংক সন্ত্ৰাসবাদী ঘোষণা কৰিছে৷ পাঞ্জাৱী গায়ক সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডত নাম সাঙোৰ খাই পৰাৰ পাছতে অন্তৰ্ধান হৈ থকা গোল্ডী ব্ৰাৰক সন্ত্ৰাসবাদ বিৰোধী আইন ইউএপিএৰ অধীনত সন্ত্ৰাসবাদী ঘোষণা কৰা হৈছে। ব্ৰাৰ কানাডাত থকাৰ সন্দেহ কৰা হৈছে ভাৰততো থাকিব পাৰে বুলি তদন্তকাৰী সংস্থাই সন্দেহ কৰিছে৷ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা এনআইএ গ্ৰেপ্তাৰ বাবে বিভিন্ন ৰাজ্যতো অভিযান চলাই আহিছে৷ যোৱা বছৰ ২৯ মে'ত পঞ্জাৱৰ মানচা জিলাৰ মুছাত এখন এছইউভিত গুলীয়াই হত্যা কৰা হৈছিল সিদ্ধু মুছেৱালাক। গোল্ডি ব্ৰাৰে এটা ফেচবুক পোষ্টত স্বীকাৰ কৰিছিল যে এজন ভাৰতীয়া শ্বুটাৰৰ দ্বাৰা সিদ্ধু মুছেৱালাক হত্যা কৰিছিল।

# পঞ্চমবাৰৰ বাবে মাতৃ হ'বলৈ ওলাইছে সীমা হায়দৰ



**নতুন দিল্লী, ১ জানুৱাৰীঃ** ২০২৪ চনৰ প্ৰথম দিনটোতে পুনৰ সংবাদ শিৰোনামলৈ আহিছে সীমা হায়দৰ৷ সীমা হায়দৰক লৈ এটা ডাঙৰ খবৰ নতুন বছৰৰ প্ৰথম দিনটোত প্ৰকাশ পাইছে৷ ভাৰতৰ যুৱক শচীনৰ প্ৰেমত পৰি ভাৰতলৈ অহা পাকিস্তানৰ মহিলা সীমা হায়দৰ গৰ্ভৱতী বুলি সংবাদমাধ্যমত খবৰ প্ৰকাশ পাইছে৷ সীমা হায়দৰ এই বছৰত শচীনৰ সন্তানৰ মাতৃ হ'ব। সীমা আৰু শচীনে এটা সাক্ষাৎকাৰৰ সময়ত এই কথা প্ৰকাশ কৰে। সীমা হায়দৰে কয় যে সোনকালেই ভাল খবৰ পাব। পাকিস্তান এৰি অহা সীমাৰ প্ৰথম স্বামীৰ চাৰি সন্তান আছে৷ সীমাই চাৰি সন্তানক ভাৰতলৈ লৈ আহিছে আৰু গ্ৰেটাৰ নয়ডাত শচীনৰ ঘৰতে বসবাস কৰি আহিছে৷ এইটো হ'ব সীমাৰ পঞ্চম সন্তান। সীমা হায়দৰে ২০১৯ চনত অনলাইন শ্বুটিং গেম পাবজিত শচীনক প্ৰথম লগ পাইছিল। ২০২৩ চনৰ মাৰ্চ মাহত সীমা আৰু শচীন নেপালত লগ পোৱাত দুয়োৰে মাজত প্ৰেম হৈছিল৷ তাৰ পাছতে নেপাল হৈ গোপনে ভাৰতত প্ৰৱেশ কৰিছিল সীমাই৷ ২০২৩ চনৰ জুলাইত উত্তৰ প্ৰদেশ আৰক্ষীয়ে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰাৰ বাবে গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে সোধা-পোছা কৰি সীমা হায়দৰ পাকিস্তানী গুপ্তচৰ হ'ব পাৰে সন্দেহ কৰিছিল যদিও পাছত মুকলি কৰি দিছিল৷ নেপালত থকা সময়ছোৱাত, দম্পতীহালে হোটেলৰ ৰিচেপচনিষ্ট এজনৰ সন্তানৰ সৈতে ইনষ্টাগ্ৰাম ৰীল তৈয়াৰ কৰিছিল আৰু সেই ৰীল ভাইৰেল হৈছিল৷

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান